No. of Printed Pages—8

81N/84N

[19-HRPGKOW–M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3–03 (Lit)]

(পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখক : 1×8=8

(i) উইলিয়াম ব্লেইক মূলতঃ কি হিচাপে জনপ্ৰিয় আছিল ?

(ii) কিমান চনত উইলিয়াম ৱাৰ্ডছৱৰ্থক ৰাজ কবি হিচাপে নিযুক্ত কৰা হয় ?

(iii) জন কীট্‌চে কিমান চনত, তেওঁৰ কিমান বয়সত জীৱনৰ প্ৰথম কবিতাটো ৰচনা কৰিছিল ?

(iv) ৰবাৰ্ট ব্ৰাউনিঙৰ কোনটো কবিতাত পোনপ্ৰথমবাৰৰ বাবে পৰীক্ষামূলকভাৱে নাটকীয় একোক্তিৰ প্ৰয়োগ হৈছিল ?

(v) আধুনিক কবিতাৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

(vi) কোনখন পুথিৰ বাবে আৰ্নেষ্ট হেমিংৱেই ন'বেল বঁটা লাভ কৰিছিল ?

(vii) ছান্টিয়াগোৱে কিমান দিন একেৰাহে মাছ ধৰিবলৈ গৈ একো নোপোৱাকৈ উভতি আহিছিল ?

(viii) এলবাৰ্ট ক্যামুৱে ৰচনা কৰা তিনিখন উপন্যাসৰ নাম লিখক।

(b) শুদ্ধ উত্তৰটো নির্বাচন কৰক : 1×4=4

(i) তলৰ কোনখন নাটক ইবচেনে ৰচনা কৰা নহয় ?

1. 'পীয়েৰ গীন্ট'
2. 'হোৱেন উই ডেড ৱেকেন'
3. 'লেডী ফ্রম দি চী'
4. 'টেম্পেষ্ট'

(ii) ছেমুৱেল বেকেটে ৰচনা কৰা এখন উপন্যাসৰ নাম হ'ল

1. 'ৱাট'
2. 'ফৰ হুম দা বেলচ টলচ'
3. 'প্লে'
4. 'এণ্ড গেইম'

(iii) 'দ্য আউটছাইডাৰ' উপন্যাসখনত তলৰ কোনটো 'বাদ' প্রকাশ পাইছে ?

1. কল্পনাবাদ বা Romanticism
2. অস্তিত্ববাদ বা Existentialism
3. বাস্তৱবাদ বা Realism
4. প্রকৃতিবাদ বা Naturalism

(iv) মাক-দেউতাকে মেনোলিনক ছাণ্টিয়াগোৰ কাষৰ পৰা কিমান দিন মাছ ধৰিব নোৱৰাৰ পাছত আঁতৰাই নিছিল ?

1. ঊনচল্লিশ দিন
2. চল্লিশ দিন
3. একচল্লিশ দিন
4. ওপৰৰ এটাও নহয়

(c) খালি ঠাই পূৰণ কৰক : 1×4=4

(i) _____ আৰু মৃত্যুৰ প্রসংগ 'দ্য আউটছাইডাৰ' উপন্যাসখনত বাৰে বাৰে ধ্বনিত-প্রতিধ্বনিত হৈছে।

(ii) 'দ্য ৱেষ্টলেণ্ড' কবিতাটোত উৰ্বৰ ভূমিৰ বিশাল প্রেক্ষাপটত পানী _____ প্রতীক ৰূপে উপস্থাপিত হৈছে।

(iii) 'অ'ড অন এ গ্রেচিয়ান আর্ন' _____ আৰু বৈপৰীত্যক ভিত্তি কৰি সৃষ্টি হোৱা কাব্যকৃতি।

(iv) ৱর্ডছৱর্থৰ সমগ্র কাব্য সৃষ্টিৰ মাজত _____ অন্তঃসলিলা ফল্গুধাৰাৰ দৰে প্রৱহমান।

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ৰোমাণ্টিক কবি হিচাপে ব্লেইকৰ মূল্যায়ন কৰক।

(b) "উইলিয়াম ব্লেইকৰ কবিতাসমূহ গীতিধৰ্মী।" কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

(c) ৰবাৰ্ট ব্ৰাউনিঙৰ *Sordello (1840)* কবিতাটোৰ বিষয়ে এটি টোকা লিখক।

(d) 'দ্য আউটছাইডাৰ' উপন্যাসখনত মানৱ জীৱনৰ অৰ্থহীনতা কেনেদৰে প্ৰকাশ পাইছে?

(e) 'পিলাৰ্ছ অফ ছ'চাইটি' নাটকখনৰ ৰোৰলাণ্ড চৰিত্ৰটোৰ বিষয়ে লিখক।

(f) 'ৱেইটিং ফৰ গ'ডো' নাটকখনত জীৱনৰ দ্বৈত ৰূপ কেনেদৰে ফুটাই তোলা হৈছে, বুজাই লিখক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) এলিয়টৰ কাব্যৰ মাজত যুগ-চেতনা কেনেদৰে নিহিত হৈ থাকে সেয়া 'দ্য ৱেষ্টলেণ্ড' কবিতাটোৰ আধাৰত বিচাৰ কৰক।

(b) প্ৰশস্তি কবিতা (*Ode*)ৰ ৰচক হিচাপে ইংৰাজী সাহিত্যত কীট্‌চৰ স্থান নিৰূপণ কৰক।

(c) কবি উইলিয়াম ৱৰ্ডছৱৰ্থৰ কাব্যকৃতি সম্পৰ্কে আলোকপাত কৰক।

(d) ব্লেইকৰ জীৱন সম্পৰ্কে এটি টোকা লিখক।

(e) 'হ'লি থাৰ্চডে' কবিতাটোৰ মাজত 'পুনৰুক্তি' আৰু 'মেটাফৰ'ৰ প্ৰয়োগ কেনেদৰে হৈছে, সেয়া বিচাৰ কৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ৱৰ্ডছৱৰ্থৰ 'টিনটাৰ্ন এবে' কবিতাটোৰ মাজেদি কবিয়ে কেনেদৰে 'ভূমিৰ মাজেদি ভূমাৰ' সন্ধান কৰিছিল, বিশ্লেষণ আগবঢ়াওক।

(b) 'অ'ড অন এ গ্ৰেচিয়ান আৰ্ন' কবিতাটোৰ মাজত গ্ৰীক সভ্যতা-সংস্কৃতিৰ প্ৰতি থকা কীট্‌চৰ তীব্ৰ আকৰ্ষণ কেনেদৰে প্ৰকাশ পাইছে, লিখক।

(c) এটি সাৰ্থক আধুনিক কবিতা হিচাপে 'দ্য ৱেষ্টলেণ্ড' (হুৱাট দ্য ঠাণ্ডাৰ চেইড্‌) কবিতাটোৰ বিশ্লেষণ আগবঢ়াওক।

(d) 'দ্য আউটছাইডাৰ' উপন্যাসৰ চৰিত্ৰসমূহৰ বিশ্লেষণ আগবঢ়াওক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'পিলাৰ্ছ অফ ছ'চাইটি' নাটকখনৰ কাহিনীভাগ উল্লেখ কৰি এখন সাৰ্থক বাস্তৱবাদী নাটক হিচাপে বিশ্লেষণ কৰক।

(b) 'ৱেইটিং ফৰ গ'ডো' নাটকখনৰ বিষয়বস্তু, উপস্থাপন পদ্ধতি সম্পৰ্কে আলোচনা কৰি নাট্যকাৰে নব্য নাট্যধাৰা এটা সৃষ্টি কৰাত সফল হৈছেনে নাই, বিচাৰ কৰক।

(c) এখন সাৰ্থক ৰূপকধৰ্মী উপন্যাস হিচাপে 'দ্য অ'ল্ডমেন এণ্ড দ্য চী' উপন্যাসখন বিচাৰ-বিশ্লেষণ আগবঢ়াওক।

(d) 'এ গ্ৰামাৰিয়ানচ ফিউনাৰেল' কবিতাটোৰ বিষয়বস্তু সম্পৰ্কে লিখি তাৰ মাজেদি কবিৰ জীৱন-দৰ্শন কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।